


দশম শ্রেণীৰ বাবে

ভূগোল

পাঠ - ১

অর্থনৈতিক ভূগোলঃ বিষয়বস্তু আৰু সম্পদ


অংশ – ৬ (প্রশ্ন-উত্তৰ)

শ্রাৱণী দেৱী

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৭। সম্পদ সংৰক্ষণৰ লগত জড়িত সংস্থা আৰু সেইবোৰৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখা।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ দ্রুত জনসংখ্যা বৃদ্ধি , বর্তমান মজুত থকা সম্পদসমূহৰ অত্যধিক ব্যৱহাৰ , সম্পদসমূহৰ অবৈজ্ঞানিক ধৰণে কৰা ব্যৱহাৰৰ ফলত হোৱাবর্ধিত পাৰিপার্শ্বিক সমস্যা আদিৰ পৰিণামস্বৰূপে বিশ্বৰ বহুতো গুৰুত্বপূর্ণ সম্পদ নিঃশেষ হ'বলৈ ধৰা পৰিস্থিতিৰ প্রতি লক্ষ্য ৰাখি সমগ্র বিশ্বতে বিভিন্ন পর্যায়ত প্রাকৃতিক সম্পদ সংৰক্ষণৰ ব্যৱস্থা গ্রহণ কৰা হৈছে। সেয়েহে , মজুত সম্পদসমূহৰ সংৰক্ষণ কৰাৰ লগতে সম্পদসমূহৰ ব্যৱহাৰৰ ফলত সৃষ্টি হোৱা পৰিৱেশ প্রদূষণ হ্রাস কৰাৰ উদ্দেশ্যেৰে বহুতো ৰাষ্ট্রীয় তথা

আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ প্ৰতিষ্ঠা হৈছে। এইবোৰ হ'ল –

1. IUCN: International Union for Conservation of Nature (আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ সংৰক্ষণ সংস্থা)।
2. পৰিৱেশ , বন তথা জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়:
3. বেচৰকাৰী প্ৰতিষ্ঠানসমূহ: বিজ্ঞান আৰু পৰিৱেশ কেন্দ্ৰ (চি এছ ই) , গ্ৰীনপিচ ইণ্ডিয়া , ৱাইল্ড লাইফ ষ্ট্ৰাষ্ট অৱ ইণ্ডিয়া আদি ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৮ চমুটোকা লিখা:

(ক) সম্পদ

(খ) মানৱ সম্পদ

(গ) সম্পত্তি

(ঘ) নবীকৰণযোগ্য সম্পদ

(ঙ) ব্যক্তিগত সম্পদ

(চ) জাতীয় সম্পদ

(ছ) জীৱীয় সম্পদ

(জ) সম্পদ সংৰক্ষণ

(ঝ) সম্পদৰ পুনৰাৱৰ্তন

(ঞ) IUCN

(ক) সম্পদ

উত্তৰঃ পৃথিৱীত থকা সকলোবোৰ বস্তু যেনে – ৰ'দ, বতাহ, বায়ু, মাটি, গছ-গছনি, জন্তু, পানী, ইত্যাদিয়েই একে একোটা সম্পদ। সকলো জীৱ আৰু পৰিস্থিতিতন্ত্ৰৰ কার্যাৱলী সম্পন্ন কৰিবলৈ প্ৰয়োজনীয় সম্পত্তিৰ উৎস , ৰাজহ , যোগান বা সহায়ক সম্পদ বোলে। অন্যার্থত মানুহৰ বিভিন্ন চাহিদা পূৰণ কৰা বস্তুবোৰেকে সম্পদ বোলে। সম্পদক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হয় সেইবোৰ হ'ল- প্ৰাকৃতিক সম্পদ আৰু মানৱ সৃষ্ট সম্পদ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

প্রাকৃতিক সম্পদ: প্রাকৃতিকভাৱে সৃষ্টি হৈ প্ৰকৃতিত বিয়পি থকা সম্পদবোৰেকে প্রাকৃতিক সম্পদ বোলে। যেনে :- পানী , বায়ু , সূর্যৰ ৰশ্মি , মাটি , খনিজ সম্পদ , গছ – গছনি , প্রাণী , নদী ইত্যাদি।

মানব সৃষ্টসম্পদ: মানুহে বিজ্ঞান আৰু প্রযুক্তি ব্যৱহাৰ কৰি প্রাকৃতিক সম্পদৰ পৰা উৎপাদন কৰা বিভিন্ন সম্পদক মানবসৃষ্ট সম্পদ বোলে। যেনে: বাঁহৰ পৰা তৈয়াৰ কৰা কাগজ , কপাহৰ পৰা তৈয়াৰী কাপোৰে , প্লাষ্টিক, কৃত্রিম ৰবৰ, ঔষধ , ৰাসায়নিক সাৰ ইত্যাদি।

(খ) মানৱ সম্পদ

উত্তৰঃ মানৱ সম্পদ মানে হ'ল শিক্ষা , প্ৰশিক্ষণ , অভিজ্ঞতা আদিৰ জৰিয়তে দেশ এখনৰ অন্যান্য সম্পদসমূহ যথোপযুক্তভাৱে ব্যৱহাৰৰ বাবে সক্ষম হৈ উঠা দেশৰ জনসমষ্টি। এখন দেশৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সম্পদ হ'ল মানৱ সম্পদ। ইউৰোপ আৰু আমেৰিকাৰ অধিক সংখ্যক দেশ উন্নত হোৱাৰ প্ৰধান কাৰণ হ'ল ইয়াত হোৱা মানৱ সম্পদৰ উন্নয়ন। সুশিক্ষা আৰু প্ৰশিক্ষণৰ বাবে এইবোৰ দেশত মানৱ সম্পদ উন্নত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

মানুহৰ অবিহনে কোনো ধৰণৰ সম্পদ বিকশিত নহয়। জাপান , ছুইজাৰলেণ্ড , ছিংগাপুৰ , টাইৱান আদি দেশত উদ্যোগৰ বাবে প্ৰয়োজনীয় প্ৰাকৃতিক সম্পদ আৰু কেঁচা সামগ্ৰীৰ অভাৱ হোৱা সত্ত্বেও মানৱ সম্পদত উন্নত হোৱা বাবে এই দেশবোৰে অৰ্থনৈতিক জীৱনৰ প্ৰত্যেক দিশত যথেষ্ট উন্নতি সাধন কৰিছে।

(গ) সম্পত্তি

উত্তৰঃ মানুহৰ প্ৰয়োজন পূৰাব পৰা আৰু বিনিময় মূল্য থকা সকলোবোৰ অৰ্থনৈতিক দ্ৰব্যই হৈছে সম্পত্তি। সকলো সম্পত্তিয়ে সম্পদ কিন্তু সকলো সম্পদ সম্পত্তি নহ'বও পাৰে।

সম্পত্তিৰ কেইটামান বৈশিষ্ট্য হ'ল-

(i) মানুহৰ প্ৰয়োজন পূৰণৰ ক্ষমতা থকা বাবে সম্পদৰ উপকাৰিতা আছে।

(ii) সম্পত্তিৰ যোগান সীমিত।

(iii) মূল্যৰ জৰিয়তে সম্পত্তি এজনৰ পৰা আন এজনলৈ হস্তান্তৰ কৰিব পাৰি। সকলো সম্পত্তিয়েই সম্পদ। কিন্তু সকলো সম্পদেই সম্পত্তি নহয়। উদাহৰণস্বৰূপে , ভূমি, ঘৰ , যন্ত্রপাতি আদি সম্পত্তিৰ বজাৰ মূল্য থকা বাবে এইবোৰক সম্পদ বুলিও কোৱা হয়।

আনহাতে বায়ু , পানী , শিক্ষা , সামাজিক প্রতিষ্ঠান , জনস্বাস্থ্য আদি সম্পত্তি নহয় ; কাৰণ এইবোৰৰ কিছুমান প্রকৃতিত প্রচুৰ পৰিমাণে পোৱা যায় , কিছুমানক বিনিময় কৰিব নোৱাৰি আৰু কিছুমানৰ বজাৰ মূল্য নাই। আকৌ সম্পদ মানৱ কল্যাণৰ বাবেহে ব্যৱহাৰ

হয় ; কিন্তু সম্পত্তি উপকাৰী বা অপকাৰী দুই ধৰণৰ হ'ব পাৰে।

উদাহৰণস্বৰূপে ৰাসায়নিক কীটনাশক , নিচাযুক্ত সামগ্ৰী আদি সম্পত্তি যদিও এইবোৰৰ ব্যৱহাৰ মানুহৰ বাবে হানিকাৰক। গতিকে এনেধৰণৰ দ্ৰব্যক সম্পদ বুলিব নোৱাৰি।

(ঘ) নবীকৰণযোগ্য সম্পদ

উত্তৰঃ উপলভ্যতাৰ ভিত্তিত সম্পদবোৰ দুই ধৰণে ভাগ কৰা হয়। নবীকৰণ আৰু অনবীকৰণযোগ্য সম্পদ। যিবোৰ সম্পদ ব্যৱহাৰ কৰি থাকিলে একেবাৰে নিঃশেষ হৈ নাযায় আৰু এইবোৰ পুনঃপুৰ্ণীকৃত প্রক্রিয়াৰে বাৰে বাৰে ব্যৱহাৰ কৰিব পৰা যায় তেনে সম্পদক নৱীকৰণযোগ্য সম্পদ বোলে। যেনে: সূৰ্যৰ ৰশ্মি , পানী , মাটি ইত্যাদি।

(ঙ) ব্যক্তিগত সম্পদ

উত্তৰঃ মালিকীস্বত্বৰ ভিত্তিত পৃথিৱীৰ সম্পদ সমূহক কেইবাটাও ভাগত ভাগ কৰা হয়। যিবোৰ বস্তু এজন লোকৰ ব্যক্তিগত দখলত থাকে , তাকে ব্যক্তিগত সম্পদ বোলে। যেনেঃ- মাটি , ঘৰুৱা সা – সম্পত্তি , ব্যক্তিগত গুণাৱলী যেনেঃ- ভাল চৰিত্ৰ , শিক্ষা , বিভিন্ন দক্ষতা আদি।

(চ) জাতীয় সম্পদ

উত্তৰঃ যিবোৰ সম্পদ ৰাষ্ট্ৰৰ দায়িত্বত বা অধীনত থাকে তেনে সম্পদক ৰাষ্ট্ৰীয় সম্পদ বোলে। যেনে: পৰিবহণ ব্যৱস্থা , ভূমি , নদী , খনিজ সম্পদ , অৰণ্যৰ জীৱ – জন্তু , কৃষি – শস্য, বিভিন্ন উৎপাদিত সামগ্রী , জনসংখ্যা আদি।

(ছ) জীৱীয় সম্পদ

উত্তৰঃ সম্পদসমূহৰ মাজত জীৱ থকা আৰু নথকাৰ কেন্দ্ৰ কৰি সম্পদবোৰক দুই ভাগত ভগোৱা হয়। যিবোৰ সম্পদৰ জীৱ থাকে সেই সম্পদবোৰক জীৱীয় সম্পদ বোলে। যেনে: গছ – গছনি, প্ৰাণী, মাছ, শস্য ইত্যাদি।

(জ) সম্পদ সংৰক্ষণ

উত্তৰঃ সম্পদ সংৰক্ষণ অতি দৰকাৰী বিষয়। প্ৰাকৃতিক সম্পদৰ গুণগত মানদণ্ড, মূল্য আৰু বিচিত্ৰতাৰ স্থিতাৱস্থা বাহালকৰণেৰে আৰু বৰ্ধিত কৰণেৰে এইবোৰৰ বিচক্ষণ ব্যৱহাৰৰ বাবে আৰু নিৰৱচ্ছিন্ন যোগানৰ নিশ্চয়তাৰ বাবে গ্ৰহণ কৰা পৰিকল্পনা আৰু ব্যৱস্থাপনাকে সম্পদৰ সংৰক্ষণ বুলি কোৱা হয়।

সম্পদ সংৰক্ষণৰ প্ৰধান উদ্দেশ্য হ'ল প্ৰকৃতিৰ পৰা প্ৰয়োজনীয় সম্পদবোৰ এনেধৰণে আহৰণ

আৰু ব্যৱহাৰ কৰিব লাগে যাতে ইয়াৰ দ্বাৰা আমি সকলোৱে বহু সময় ধৰি উপকৃত হওঁ। বহুত খনিজ সম্পদ , উদ্ভিদ আৰু প্ৰাণী.দ্ৰুত হাৰত নিঃশেষ হ'ব ধৰিছে। পৃথিৱীত যিমানেই অৰ্থনৈতিক উন্নয়ন হৈছে সিমানেই সম্পদৰ ব্যৱহাৰ বাঢ়িছে। যিহেতু পৃথিৱীৰ বেছিভাগ সম্পদেই অনৱীকৰণ যোগ্য সেয়ে সম্ভৱপৰ উপায় অৱলম্বন কৰি সম্পদসমূহ সংৰক্ষণ কৰাৰ অতীৱ প্ৰয়োজন। আমি এই সম্পদবোৰৰ বিকল্প দ্ৰব্য সন্ধান কৰি , পুনঃপুৰ্ণীকৃত প্ৰক্ৰিয়া ব্যৱহাৰ কৰি , পুনৰাৱৰ্তন , অভিযোজন আদি

পদ্ধতি অৱলম্বন কৰি , অপচয় নিয়ন্ত্রণ সংক্রান্ত আইনসমূহ ৰূপায়িত কৰি এইবোৰৰ সংৰক্ষণ কৰিব পাৰোঁ।



(ঝ) সম্পদৰ পুনৰাৱৰ্তন

উত্তৰঃ সম্পদৰ পুনৰাৱৰ্তন প্ৰক্ৰিয়াৰ জৰিয়তে বৰ্জিত দ্ৰব্যক পুনৰ ব্যৱহাৰযোগ্য কৰি কেঁচা সামগ্ৰীৰ ব্যৱহাৰ হ্ৰাস কৰিব পাৰি। উদাহৰণস্বৰূপে ব্যৱহৃত পানী বা কাগজৰ পুনৰাৱৰ্তন। পুৰণি পলিথিন বেগ, প্লাষ্টিকৰ বটল, কাগজ, লোহাৰ সামগ্ৰী আদি পুনৰাবৰ্তনৰ জৰিয়তে সংশ্লিষ্ট সম্পদৰ কেঁচা সামগ্ৰী কিছু পৰিমাণে হ'লেও সংৰক্ষণ কৰিব পাৰি।

(ঞ) IUCN

উত্তৰঃ IUCN – ৰ সম্পূৰ্ণ নামটো হৈছে – International Union for Conservation of Nature (আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ সংৰক্ষণ সংস্থা)। ১৯৪৮ চনত UNESCO অৰ্থাৎ ৰাষ্ট্ৰসংঘৰ শৈক্ষিক বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাৰ প্ৰথম সঞ্চালক প্ৰধান জুলিয়ান হাক্সলেৰ (ব্ৰিটিছ জীববিজ্ঞানী) প্ৰচেষ্টাত ফ্ৰান্সত প্ৰতিষ্ঠিত হৈছিল।এই সংস্থাটোৰ প্ৰধান লক্ষ্য হ'ল গোলকীয় প্ৰাকৃতিক পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদৰ সংৰক্ষণৰ লগতে জৈৱ – বৈচিত্ৰ্য সম্পৰ্কে অধ্যয়ন তথা গৱেষণা চলাই যোৱা

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

আৰু উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা। ই ৰাষ্ট্ৰসংঘৰ নির্দেশনা অনুসৰি কার্য সম্পাদন কৰে। IUCN ৰ নেতৃত্বতে WWF (World Wide fund for nature) আৰু বিশ্ব সংৰক্ষণ নিৰীক্ষণ কেন্দ্ৰ (World conservation Monitoring Centre) স্থাপিত হৈছে।